# অসমৰ কৃতী সন্তান শ্ৰদ্ধেয়

## শ্ৰীযুক্ত দেৱানন্দ ভৰালী ডাঙৰীয়া

আজি অৰ্দ্ধ শতাব্দীৰো ওপৰকাল আপুনি যি দৰে অসমীয়া সাহিত্যৰ সেৱা কৰি আহিছে তাৰ বাবে আপোনাক শ্ৰদ্ধাৰে সম্ভাষণ জনাওঁ। 'উষা' আৰু 'আলোচনী'ৰ দিনৰে পৰা আপোনাৰ বিবিধ প্ৰবন্ধাৱলীয়ে অসমীয়া সাহিত্যৰ পৰি পুষ্টি সাধন কৰি আহিছে। আপোনাৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰে' সাহিত্য সেৱী সকলৰ মাজত এটি নতুন পথ মুকলি কৰি দি অসমীয়া ভাষাৰ গৌৰৱ বৃদ্ধি কৰিলে। ইয়াৰ উপৰিও অসমীয়া সাহিত্যৰ অন্যতম কীৰ্ত্তিস্তম্ভ "চন্দ্ৰকান্ত অভিধান" সঙ্কলনত আপোনাৰ গভীৰ পাণ্ডিত্য পূৰ্ণ ভাষান্তৰ মূলক সাহায্যৰ বাবে আমি আপোনাৰ ওচৰত ঋণী। সাধাৰণতে অন্যান্য লোকে প্ৰীতিৰে চৰ্চা নকৰা নিৰস ভাষা তত্ত্ব সম্বন্ধীয় আলোচনাত আপুনি এজন পথ প্ৰদৰ্শক। আপোনাৰ দীৰ্ঘকালৰ সাধনাৰ সুফল ৰূপ "A Study of Assamese Phonology" প্ৰকাশিত হৈ সোনকালে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা দেখা পাবলৈ ভগৱানে আপোনাক সুখপূৰ্ণ দীৰ্ঘ জীৱন দান কৰক এয়ে আমাৰ একান্ত কামনা।

ইতি

যোৰহাট সাহিত্য সভাৰ হৈ
শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য
সম্পাদক

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট
৪।১২।৫৫